**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 09-03-2026
**Time :** 1340 HRS.

ASSAMESE MIDDAY BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। ভাৰতৰ স্বাস্থ্য আন্তঃগাঁথনি বিগত কেইটামান বছৰত শক্তিশালী হৈ উঠিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে।

২। সংসদৰ বাজেট অধিৱেশনৰ দ্বিতীয় পৰ্যায় আজি আৰম্ভ হৈছে।

৩। কেন্দ্ৰীয় চৰকাৰে পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে মন্তব্য কৰিছে।

৪। পশ্চিম এছিয়াত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত প্ৰতি বেৰেল খাৰুৱা তেলৰ মূল্যই ১০০ আমেৰিকান ডলাৰ অতিক্ৰম কৰিছে।

*আৰু*

৫। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে আজি নতুন দিল্লীত বিকশিত ভাৰত যুৱ সংযোগ অনুষ্ঠানৰ দ্বিতীয় পৰ্যায় মুকলি কৰে।

ooooo

ভাৰতৰ স্বাস্থ্য আন্তঃগাঁথনি বিগত কেইটামান বছৰত শক্তিশালী হৈ উঠিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে। সবকা সাথ সবকা বিকাশ কাৰ্যসূচীয়ে জনসাধাৰণৰ অভিলাষ পূৰণ কৰিবলৈ সমৰ্থ হৈছে নে নাই সেই সন্দৰ্ভত আয়োজিত এখন বাজেট পৰৱৰ্তী ৱেবিনাৰত অংশ লৈ প্ৰধানমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে জনসাধাৰণৰ আশা আকাংক্ষা পূৰণ কৰাটো কেৱল আলোচনাৰ বিষয় নহয়, বৰং এয়া এখন বাজেটৰ ভেটি আৰু চৰকাৰৰ দায়বদ্ধতা। শ্ৰীমোদীয়ে কয় যে দেশৰ বিভিন্ন জিলাত নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ জৰিয়তে দেশে সৰ্বাত্মক আৰু প্ৰতিৰোধমূলক স্বাস্থ্য সেৱা ব্যৱস্থা গঢ়ি তোলাৰ দিশত অগ্ৰসৰ হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে আয়ুস্মান ভাৰত যোজনা আৰু আৰোগ্য মন্দিৰৰ জৰিয়তে স্বাস্থ্য সেৱাৰ সম্প্ৰসাৰণ ঘটোৱাৰ সমান্তৰালকৈ ভাৰতৰ পৰম্পৰাগত যোগ আৰু আয়ুৰ্বেদ চিকিৎসা পদ্ধতিয়ে বিশ্বজুৰি সমাদৰ লাভ কৰিছে বুলি উল্লেখ কৰে। কেয়াৰ ইকন'মিৰ ওপৰত গুৰুত্ব আৰোপ কৰি শ্ৰীমোদীয়ে কয় যে সেৱা প্ৰদানকাৰীসকলৰ প্ৰতি গুৰুত্ব আৰোপ কৰাৰ বাবে বিশ্বজুৰি সৃষ্টি হোৱা দাবীৰ পৰিপ্ৰেক্ষিতত দেশত লাখ লাখ যুৱক-যুৱতীৰ বাবে নিত্য-নতুন দক্ষতাভিত্তিক নিয়োগৰ সুবিধা সৃষ্টি হৈছে। প্ৰধানমন্ত্ৰীয়ে বিজ্ঞান প্ৰযুক্তি অভিযান্ত্ৰিক আৰু গাণিতিক ক্ষেত্ৰত মহিলাসকলৰ অংশগ্ৰহণ বৃদ্ধি পোৱাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ ভৱিষ্যমুখী প্ৰযুক্তিৰ সম সা-সুবিধা কন্যাসকলক প্ৰদানৰ বাবে চৰকাৰ বদ্ধপৰিকৰ বুলি দোহাৰে। যুৱ গৱেষকসকলৰ বাবে কোনো প্ৰতিবন্ধক অবিহনে উদ্ভাৱনীমূলক আৰু পৰীক্ষামূলক গৱেষণা প্ৰক্ৰিয়াৰ পোষকতা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এনে পদ্ধতিৰে নতুন ধাৰণাৰ বিকাশৰ বাবে তেওঁলোকে সকলো সুবিধা লাভ কৰা উচিত। শিক্ষা, নিয়োগ আৰু উদ্যোগৰ সংযোগৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এনিমেচন, ভিজুৱেল এফেক্স, গেমিং আৰু কমিক্স খণ্ডৰ প্ৰসাৰৰ ওপৰতো গুৰুত্ব আৰোপ

কৰে। ভাৰত ক্ৰমান্বয়ে উদ্ভাৱনমুখী অৰ্থনীতি হোৱাৰ দিশত অগ্ৰসৰ হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে বিদ্যায়তনিক প্ৰতিষ্ঠানসমূহক তেওঁলোকৰ চৌহদসমূহ উদ্যোগ আৰু গৱেষণা উভয়ে সংযোগস্থলী হিচাপে গঢ়ি তোলাৰ পৰামৰ্শ দিয়ে।

00000

সংসদৰ বাজেট অধিৱেশনৰ দ্বিতীয় পৰ্যায় আজি আৰম্ভ হৈছে। দিনৰ ১১ বজাত নিম্ন সদন মিলিত হোৱাৰ সময়ত সদ্যপ্ৰয়াত ছিলঙৰ সাংসদ তথা ভইচ অৱ দ্যা পিপল পাৰ্টীৰ নেতা ড০ ৰিকি এন্ড্ৰিউ জে চিংকনৰ প্ৰতি শ্ৰদ্ধা জনোৱা হয়। সদনে লগতে প্ৰাক্তন সদস্য কুমাৰী সুশীলা ত্ৰিৰিয়া, দেৱী বাক্স সিং, পূৰ্ণমাসি ৰাম আৰু কে বি উন্নীকৃষ্ণনৰ প্ৰতিও শ্ৰদ্ধা নিবেদন কৰে। প্ৰয়াত সাংসদসকলৰ আত্মাৰ শান্তি কামনাৰে সকলো সদস্যই কিছু সময় মৌনতা অৱলম্বন কৰে। ইয়াৰ পাছতে দুপৰীয়া ১২ বজালৈ সদন স্থগিত ৰখা হয়।

লোকসভাত আজি বিৰোধী দলে অধ্যক্ষ ওম বিৰলাৰ বিৰুদ্ধে উত্থাপন কৰা অনাস্থা প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ’ব। কংগ্ৰেছৰ তিনিজন সাংসদ- মহম্মদ জাভেদ, কে সুৰেশ আৰু মাল্লু ৰবিয়ে সংসদত এই প্ৰস্তাৱ উত্থাপন কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি লোকসভাত পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত বিবৃতি দাঙি ধৰিব। এই অধিৱেশন অহা ২ এপ্ৰিলত অন্ত পৰিব।

উল্লেখযোগ্য যে যোৱা মাহত অনুষ্ঠিত বাজেট অধিৱেশনৰ প্ৰথম পৰ্যায়ত বিৰোধী পক্ষই অধ্যক্ষক আঁতৰোৱাৰ দাবী জনাই লোকসভাৰ সাধাৰণ সচিবলৈ অনাস্থা প্ৰস্তাৱ প্ৰেৰণ কৰিছিল। এই প্ৰস্তাৱত তেওঁলোকে শ্ৰীবিৰলাৰ বিৰুদ্ধে পক্ষপাতমূলক আচৰণৰ অভিযোগ তুলিছিল। তৃণমূল কংগ্ৰেছৰ বাহিৰে কংগ্ৰেছ, সমাজবাদী পাৰ্টি, ডি এম কে, বাওঁ আৰু অন্যান্য দলৰ ১১৮ জন সাংসদে এই অনাস্থাত সমৰ্থন জনাইছিল।

00000

কেন্দ্ৰীয় চৰকাৰে পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু সংশ্লিষ্ট মন্ত্ৰালয়সমূহে প্ৰয়োজন সাপেক্ষে অঞ্চলসমূহৰ পৰা তাৎক্ষণিক সঁহাৰি লাভৰ বাবে যোগাযোগ ৰক্ষা কৰি আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি ৰাজ্যসভাত এটা বিবৃতিযোগে এই বিষয়ে প্ৰকাশ কৰিছে। তেওঁ কয় যে পৰিস্থিতিৰ গভীৰতালৈ লক্ষ্য ৰাখি চৰকাৰে সেই দেশত থকা ভাৰতীয় নাগৰিকসকলক নিৰাপত্তা আৰু সুৰক্ষা নিশ্চিত কৰাৰ বাবে কাম কৰি আছে। মন্ত্ৰীগৰাকীয়ে কয় যে আলোচনা আৰু কূটনৈতিক কাৰ্যকলাপৰ দ্বাৰা অঞ্চলটোত সৃষ্টি হোৱা পৰিস্থিতিৰ প্ৰশমিত কৰিব পৰা যাব। তেওঁ কয় যে ভাৰতে চলিত বছৰৰ জানুৱাৰীতে প্ৰবাসী ভাৰতীয়সকলক ইৰাণলৈ অনাৱশ্যক ভ্ৰমণ পৰিহাৰ কৰিবলৈ পৰামৰ্শ দিয়াৰ লগতে সেই দেশত থকা ভাৰতীয় দূতাবাসৰ সৈতে যোগাযোগ ৰক্ষা কৰি চলিবলৈ কৈছিল। মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ সুৰক্ষা বিষয়ক কেবিনেট কমিটীয়ে অঞ্চলটোত বসবাস কৰা প্ৰবাসী ভাৰতীয়সকলে সন্মুখীন হোৱা সমস্যাসমূহক লৈ উদ্বিগ্নতা প্ৰকাশ কৰিছিল। ড০ জয়শংকৰে কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে সাম্প্ৰতিক পৰিস্থিতি চোকা দৃষ্টিৰে নিৰীক্ষণ কৰি আছে আৰু মন্ত্ৰীসকলক এই বিষয়টো নিষ্পত্তিৰ বাবে উপযুক্ত পদক্ষেপ ল’বলৈ নিৰ্দেশ দিছে। প্ৰধানমন্ত্ৰীয়ে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ, কাটাৰ, চৌদি আৰৱ, ওমান, জৰ্ডান, ইজৰাইল আৰু বাহৰেইনৰ মুৰব্বীসকলৰ সৈতে বিষয়টো সন্দৰ্ভত কথা পাতি পৰিস্থিতি প্ৰশমিত কৰাৰ বাবে আহ্বান জনাইছে। ড০ জয়শংকৰে কয় যে প্ৰায় ১ কোটি ভাৰতীয় নাগৰিকে কৰ্মসূত্ৰে উপ-সাগৰীয় ৰাষ্ট্ৰসমূহত বাস কৰে। এই অঞ্চলসমূহ শক্তি সুৰক্ষা,

তেল আৰু গেছৰ যোগানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হোৱাৰ লগতে ভাৰতৰ মুখ্য বাণিজ্যিক অংশীদাৰ আৰু দেশৰ বাণিজ্যৰ বাৰ্ষিক প্ৰায় ২০০ বিলিয়ন ডলাৰ এই অঞ্চলসমূহৰ পৰাই বিনিয়োগ হয় বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তদুপৰি এই সংঘাতে সামুদ্ৰিক ক্ষেত্ৰত নিয়োজিত লোকসকলৰ জীৱিকাৰো ক্ষতি কৰিছে আৰু বহুসংখ্যক ভাৰতীয় এই জীৱিকাত নিয়োজিত হৈ আছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। এই সংঘাত বিভিন্ন অঞ্চললৈ সম্প্ৰসাৰিত হোৱাৰ ফলত ক্ষয়-ক্ষতি অধিক হোৱাৰ লগতে জনসাধাৰণৰ স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে বুলি ড০ জয়শংকৰে মত প্ৰকাশ কৰে।

ooooo

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত চেম্পিয়নৰ খিতাপ অৰ্জন কৰা ভাৰতীয় দলটোক লোকসভাই অভিনন্দন জনাইছে। দুপৰীয়া ১২ বজাত সদন পুনৰ আৰম্ভ হোৱাৰ পাছত লোকসভাত সেই সময়ত পৰিচলানাৰ দায়িত্বত থকা বিষয়া জগদম্বীকা পালে কয়, যে ভাৰতৰ এই বিজয়ে সমগ্ৰ দেশতে ব্যাপক উৎসাহ আৰু উদযাপনৰ পৰিৱেশ সৃষ্টি কৰিছে। ভাৰতীয় দলটোৱে দক্ষতা, দৃঢ়তা আৰু দলীয় সহযোগিতা আৰু অনুশাসন প্ৰদৰ্শন কৰিছে। শ্ৰীপালে কয় যে, এই বিজয়ৰ জৰিয়তে খেলুৱৈসকলে সমগ্ৰ দেশৰ লাখ লাখ যুৱক-যুৱতীক ডাঙৰ সপোন দেখিবলৈ আৰু ক্ৰীড়াৰ ক্ষেত্ৰত উৎকৃষ্ট প্ৰদৰ্শনৰ চেষ্টা কৰিবলৈ অনুপ্ৰাণিত কৰিছে।

ooooo

ৰাজ্যসভায়ো আজি আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত নিউজিলেণ্ডক পৰাস্ত কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰা ভাৰতীয় দলটোক অভিনন্দন জনাইছে। ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে কয়, যে এই জয় হৈছে ভাৰতৰ তৃতীয়টো টি-২০ বিশ্বকাপ জয়। শ্ৰী ৰাধাকৃষ্ণনে কয়, যে সমগ্ৰ প্ৰতিযোগিতাখনত দলটোৰ অসাধাৰণ প্ৰদৰ্শনে দেশৰ লাখ লাখ ক্ৰিকেট প্ৰেমীৰ বাবে অপৰিসীম আনন্দ আৰু গৌৰৱ কঢ়িয়াই আনিছে।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত উচ্চ সদন মিলিত হোৱাৰ সময়ত সদনে শেহতীয়াকৈ মৃত্যু হোৱা প্ৰাক্তন সদস্য মুকুল ৰয়, ড০ জনাৰ্দন ৰাঘমাড়ে আৰু এইচ কে ডুৱালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সদনৰ সদস্যসকলে বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি কিছু সময়ৰ বাবে মৌনতা অৱলম্বন কৰে।

ooooo

পশ্চিম এছিয়াত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত উৎপাদন আৰু সৰবৰাহ ব্যয় বাঢ়ি যোৱাৰ ফলত বিগত চাৰে তিনি বছৰৰ ভিতৰত প্ৰথম বাৰৰ বাবে প্ৰতি বেৰেল খাৰুৱা তেলৰ মূল্যই ১০০ আমেৰিকান ডলাৰ অতিক্ৰম কৰিছে। আন্তঃৰাষ্ট্ৰীয় বজাৰত কালি এই মূল্য আছিল ১০১ দশমিক ১-৯ ডলাৰ। বিশ্বজুৰি তেলৰ এই মূল্যবৃদ্ধিৰ মাজতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কয় যে তেহৰানৰ পাৰমাণবিক ভাবুকি দূৰ কৰাৰ তুলনাত এই হ্ৰস্বকালীন মূল্যবৃদ্ধি সামান্য বুলিয়েই ক'ব পাৰি। উল্লেখযোগ্য যে ইয়াৰ আগেয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত ট্ৰাম্পে ইৰাণৰ পাৰমাণবিক ক্ষমতা ধবংস হ'লে তেলৰ মূল্য দ্ৰুত গতিত হ্ৰাস পাব আৰু আন্তঃৰাষ্ট্ৰীয় সুৰক্ষা আৰু শান্তি ৰক্ষাৰ বাবে এয়া প্ৰয়োজনীয় বুলি উল্লেখ কৰিছে।

ooooo

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে আজি নতুন দিল্লীত বিকশিত ভাৰত যুৱ সংযোগ অনুষ্ঠানৰ দ্বিতীয় পৰ্যায় মুকলি কৰে। মেৰা যুৱ ভাৰত, মাই ভাৰতৰ জৰিয়তে বিকশিত ভাৰত ২০৪৭ৰ লক্ষ্য পূৰণৰ উদ্দেশ্যে

এই পদক্ষেপ লোৱা হৈছে। মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে ৰাষ্ট্ৰীয় ৰাজধানীৰ কমেও ৩৫ খন মহাবিদ্যালয়ৰ ১০ হাজাৰতকৈও অধিক শিক্ষাৰ্থীয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে। মত বিনিময় অনুষ্ঠান, আলোচনাকে ধৰি বিভিন্ন কাৰ্যসূচীৰ জৰিয়তে দেশৰ যুৱ প্ৰজন্মক উন্নয়নৰ যাত্ৰাৰ অংশীদাৰ কৰি এখন সুন্দৰ ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত তেওঁলোকৰ ভূমিকাক প্ৰেৰণা যোগোৱাৰ প্ৰয়াস কৰা হৈছে। মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে বিকশিত ভাৰত যুৱ নেতা আলোচনা আৰু বিকশিত ভাৰত যুৱ সংসদৰ বিজয়ী যুৱ নেতাসকলক এই অনুষ্ঠানত অন্তৰ্ভুক্ত কৰাৰ লগতে অন্যান্য শিক্ষাৰ্থীসকলৰ সৈতে তেওঁলোকৰ বাৰ্তালাপ আৰু অভিজ্ঞতাৰ বিনিময়ৰ জৰিয়তে ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত যুৱ প্ৰজন্মক অংশগ্ৰহণৰ বাবে উৎসাহিত কৰা হ'ব। দেশৰ ২২ খন ৰাজ্য তথা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ২৭৪ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ত ২০ হাজাৰ যুৱক-যুৱতীক সামৰি ইতিমধ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। মাই ভাৰত ডিজিটেল প্লেটফৰ্মৰ মাই ভাৰত ডট গভ ডট ইন ৱেবছাইটৰ জৰিয়তে এই কাৰ্যসূচীত পঞ্জীয়ন আৰু অংশগ্ৰহণৰ ব্যৱস্থা কৰা হৈছে।

ooooo

বিজেপিয়ে বিহাৰ, ওড়িশা আৰু হাৰিয়ানাৰ ৰাজ্যসভাৰ আসন্ন দ্বিবাৰ্ষিক নিৰ্বাচনৰ বাবে কেন্দ্ৰীয় পৰ্যৱেক্ষক নিযুক্তি দিছে। বিহাৰত চত্তিশগড়ৰ উপমুখ্যমন্ত্ৰী বিজয় শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী হৰ্ষ মালহোত্ৰাক দলৰ পৰ্যৱেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। আনহাতে গুজৰাটৰ উপ-মুখ্যমন্ত্ৰী হৰ্ষ সংঘৱীয়ে হাৰিয়ানাৰ নিৰ্বাচনৰ পৰ্যৱেক্ষক আৰু মহাৰাষ্ট্ৰ চৰকাৰৰ মন্ত্ৰী চন্দ্ৰশেখৰ বাৱানকুলেক ওড়িশাৰ কেন্দ্ৰীয় পৰ্যৱেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নৱীনে আজি এই নিযুক্তিসমূহ প্ৰদান কৰে।

ooooo

সমাপ্ত